গ্ৰীক দৰ্শনৰ ইতিহাসত সৰ্বপ্ৰথম যিজন দাৰ্শনিকৰ দৰ্শন সুসংবদ্ধভাবে প্ৰকাশিত হয় সেই জন হ'ল চক্ৰেটিছৰ প্ৰিয় শিষ্য প্লেটো। প্লেটো আছিল জগতৰ শ্ৰেষ্ঠ দাৰ্শনিক যাক আমি যথাৰ্থতে ইউৰোপত আধ্যাত্মবাদৰ প্ৰৱৰ্তক হিচাপে পৰিগণিত কৰিব পাৰোঁ। ৰাছেলৰ মতে, প্ৰাচীন, মধ্য বা আধুনিক যুগৰ দাৰ্শনিকসকলৰ ভিতৰত প্লেটো আৰু এৰিষ্টটল আছিল সবাতোকৈ প্ৰভাবশালী। এইজন মহান দাৰ্শনিকৰ জন্ম হয় ৪২৮-৭ খ্ৰীষ্টপূৰ্বত এথেন্স নগৰীত। প্লেটো আছিল এজন বিত্তশালী অভিজাত বংশৰ সন্তান। তেওঁৰ দেউতাক আছিল এৰিষ্ট'ন (Ariston) আৰু মাতৃ আছিল পেৰিক্তিয়ন (Perictione)। শৈশৱতে প্লেটো পিতৃহাৰা হয় আৰু মাতৃয়ে পিতৃৰ ঘনিষ্ঠ বন্ধু পাইৰিলেম্পেছক (Pyrilampes) দ্বিতীয় বিবাহ কৰে। সেইকাৰণে তেওঁ সৎ পিতাৰ ওচৰতে থাকিবলৈ লয়। প্লেটো সৰ্বমুঠ ৩৬ টি গ্ৰন্থ ৰচনা কৰে। কিন্তু ৩৬ টা সংলাপৰ ভিতৰত ৬ টা সংলাপ প্লেটো ৰচিত নহয় বুলি বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে। এইবোৰ হ'ল- Alcibiades II, Hipparclues, Amatores, Theages, Clitophon আৰু Minus। তদুপৰি, আৰু ৬ টা সংলাপ প্লেটো ৰচিত হয় নে নহয় এইলেও সন্দেহ আছে। সেইবোৰ হ'ল- Alcibiades I, Ion, Menexenus, Hippius Major, Epinomis আৰু Eistles। এই ১২ টি গ্ৰন্থক বাদ দিলে বাকী ২৪ ন গ্ৰন্থ প্লেটো ৰচিত বুলি সকলোৱে একেমুখে স্বীকাৰ কৰিছে। প্লেটো ৰচিত এই সংলাপ বা গ্ৰন্থসমূহ তলত উল্লেখ কৰা হ'ল:

১। Apology: এই গ্ৰন্থত চক্ৰেটিছৰ বিচাৰ বিষয়ক বৰ্ণনা আছে। কিদবে চক্ৰেটিছে আত্মপক্ষ সমৰ্থন কৰি অভিযোগকাৰীৰ অভিযোগ ভুল বুলি প্ৰতিপন্ন কৰে তাৰ বৰ্ণনা আছে।

২। Crito: চক্রেটিছক অন্যায়ভাৱে মৃত্যুদণ্ডৰে দণ্ডিত কৰিলেও তেওঁ কিদৰে ৰাষ্ট্ৰীয় আইনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে তাৰ বৰ্ণনা আছে এই গ্ৰন্থত। ক্ৰিটোৱে চক্রেটিছক জেলৰ পৰা পলায়ন কৰিবলৈ ক'লেও চক্রেটিছে তাক প্ৰত্যাখ্যন কৰি যি নীতিনিষ্ঠ, ন্যায়পৰায়ণতাৰ পৰিচয় দিছিল প্লেটোৱে এই গ্ৰন্থত তাৰ বৰ্ণনা কৰিছে।

৩। Euthyphron : এই গ্ৰন্থত ধৰ্মৰ প্ৰকৃতি আলোচনা কৰা হৈছে, কিন্তু কোনো সিদ্ধান্তত উপনীত হোৱা নাই। নাস্তিকতাৰ স্বৰূপ ইয়াৰ আলোচ্য বিষয় আছিল।

৪। Laches: যুদ্ধ আৰু শান্তি উভয় সময়তে সাহস যে কিমান গুৰুত্বপূৰ্ণ এই গ্ৰন্থত তাকেই আলোচনা কৰা হৈছে। কিন্তু কোনো সিদ্ধান্ত নাই।

৫। Protagoras: সদগুণেই জ্ঞান। সদগুণ শিক্ষণীয়। প্ৰোটাগোৰাচৰ ভাষণ পদ্ধতি আৰু চক্রেটিছৰ প্ৰশ্ন-উত্তৰ পদ্ধতিৰ মাধ্যমত যে সদগুণৰ শিক্ষা দিব পাৰি।

এই গ্ৰন্থত ত আলোচনা কৰা হয়

৬। Charmides: সংযম বা মিতাচাৰৰ আলোচনা আছে।

৭। Lysis: বন্ধুত্বৰ স্বৰূপ সম্বন্ধে আলোচনা আছে। কোনো সিদ্ধান্ত নাই।

৮। Republic: ন্যায়পৰায়ণতা (Justice) আৰু আদৰ্শ ৰাষ্ট (Ideal state) স্বৰূপ লৈ আলোচনা আছে এই গ্ৰন্থত।

৯/ Gorgias: শক্তিমান বনাম দাৰ্শনিকৰ অধিকাৰ লৈ আলোচনা হয়।

১০/ Meno: সদগুণৰ যে শিক্ষণীয় এই মতৰ সংশোধন। আদৰ্শতত্তৰ পৰিপ্ৰেক্ষিতত সদগুণৰ শিক্ষণযোগ্যতা। তদুপৰি, জ্ঞানৰ মাত্ৰাভেদ, আত্মাৰ সুপ্ততা, লৌকিক ধাৰণা আৰু সত্যতাৰ পাৰ্থক্য ইত্যাদি বিষয় এই গ্ৰন্থত আলোচিত হৈছে।

১১। Euthydemus: পৰৱৰ্তীকালৰ ছফিষ্টসকলৰ বিৰুদ্ধে আলোচনা আৰু নিৰ্ভুল চিন্তাৰ বাবে সঠিক মানদণ্ডৰ প্ৰয়োজনীয়তা এই গ্ৰন্থৰ মূল বিষয়বস্তু।

১২। Cratylus: ভাষাতত্ত্ব বিষয়ক আলোচনা।

১৩। Symposium: সমস্ত জাগতিক সৌন্দৰ্য আদৰ্শ আৰু সত্য সৌন্দৰ্যৰ ছায়ামাত্ৰ। Eros ৰ সহায়ত আত্মা যথাৰ্থ সৌন্দৰ্য লাভ কৰিব বিচাৰে।

১৪। Phaedo : ধাৰণা বা আইডিয়া আৰু আত্মাৰ অমৰত্ব আলোচিত।

১৫। Phaedrus: প্ৰেমৰ স্বৰূপ, দৰ্শনসম্মত অলংকাৰ শাস্ত্ৰৰ সম্ভাৱনা আদি আলোচিত হৈছে

১৬। Theaetetus: জ্ঞানৰ নঞৰ্থক দিশ আলোচিত হৈছে। ইন্দ্ৰিয় প্ৰত্যক্ষ জ্ঞান নহয়- এই মত আলোচিত

১৭। Parmenides: ধাৰণা বা প্ৰত্যয়ৰ সমৰ্থনত যুক্তি দিয়া হয়

১৮। Sophist : ধাৰণাবাদৰ পুনৰালোচনা। অসংখ্য সত্তাৰ ধাৰণাৰ পৰা কেনেকৈ পৰ্যায়ক্ৰমে একক সত্তাত সমন্বিত হোৱা যায় তাৰ আলোচনা আছে।

১৯। Politicus: জ্ঞানী বা দাৰ্শনিকেই যথাৰ্থ শাসক হ'ব পাৰে এই মত প্ৰতিষ্ঠা কৰা হয়।

২০। Philebus : শ্ৰেয়ৰ লগত সুখৰ সম্বন্ধ এই গ্ৰন্থৰ আলোচ্য বিষয়।

২১। Timaeus : প্ৰাকৃতিক বিজ্ঞান।

২২। Critias: আদৰ্শ কৃষি ৰাষ্ট্ৰক লৈ আলোচনা।

২৩। Laws: ৰিপাব্লিক গ্ৰন্থৰ দৰে ইয়াত ৰাষ্ট্ৰ সম্পৰ্কে আলোচনা কৰা হয়।